# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 12-SEP-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines
-------------------

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাইলৈৰ পৰা দুদিনীয়া উত্তৰ-পূব ভ্ৰমণ।

২। বিটিচি পৰিষদীয় নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ ব্যাপক প্ৰচাৰ। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ কেইবাখনো প্ৰচাৰ সভাত অংশগ্ৰহণ।

৩। আই আই টি গুৱাহাটীৰ গৱেষকৰ দলৰ মানৱ ইনছুলিন উৎপাদনৰ নতুন পদ্ধতি উদ্ভাৱন ।

৪। ৰাজ্যৰ বিভিন্ন সত্ৰ আৰু নামঘৰত মহাপুৰুষ মাধৱদেৱৰ তিৰোভাৱ তিথি পালন। *আৰু*

৫। এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ ডুবাইত হ'বলগীয়া আজিৰ খেলত পাকিস্তান ওমানৰ মুখামুখি।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া ভ্ৰমণসূচীৰে কাইলৈ মিজোৰাম, মণিপুৰ আৰু অসমলৈ আহিব। প্ৰধানমন্ত্ৰীয়ে কাইলৈ দিনৰ ১০ বজাত আইজলৰ লামউৱালত আয়োজিত এটা অনুষ্ঠানত নৱনিৰ্মিত ভৈৰবী-চাইৰাং ৰে'লপথেৰে তিনিখন নতুন ৰে'লগাড়ীৰ যাত্ৰাৰ ভাৰ্চুৱেলি শুভাৰম্ভ কৰিব। এই নতুন ৰে'লগাড়ীকেইখন হৈছে চাইৰাং আৰু দিল্লীৰ মাজত সাপ্তাহিক ৰাজধানী এক্সপ্ৰেছ, চাইৰাং আৰু গুৱাহাটীৰ মাজত দৈনিক এক্সপ্ৰেছ আৰু চাইৰাং আৰু ক'লকাতাৰ মাজত ত্ৰিসাপ্তাহিক এক্সপ্ৰেছ।

ইয়াৰ পাছত প্ৰধানমন্ত্ৰী মণিপুৰলৈ যাব আৰু চুড়াচান্দপুৰ আৰু ইম্ফলত দুখন জনসভাত অংশ ল'ব। মণিপুৰৰ কেইবাটাও সংগঠনে আজি মাজনিশাৰ পৰা আহ্বান দিয়া ধৰ্মঘটৰ পৰিপ্ৰেক্ষিতত সমগ্ৰ ৰাজ্যখনত নিশ্ছিদ্ৰ নিৰাপত্তাৰ ব্যৱস্থা কৰা হৈছে। আবেলিৰ ভাগত প্ৰধানমন্ত্ৰী গুৱাহাটীলৈ আহিব আৰু বিয়লি ৫ বজাত খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ শতবাৰ্ষিকীৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানতে তেওঁ ভাৰতীয় ৰিজাৰ্ভ বেংকে জাৰি কৰা ড০ ভূপেন হাজৰিকা স্মাৰক ১০০ টকীয়া মুদ্ৰা আনুষ্ঠানিকভাৱে মুকলি কৰিব। প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানতে অসম চৰকাৰৰ তত্ত্বাৱধানত সংকলন কৰা ড০ ভূপেন হাজৰিকাৰ বহুভাষিক জীৱনী গ্ৰন্থখনো আনুষ্ঠানিকভাৱে উন্মোচন কৰিব। প্ৰধানমন্ত্ৰীৰ সন্মানাৰ্থে প্ৰায় এহেজাৰ ২০০গৰাকী শিল্পীয়ে খানাপাৰাৰ খেলপথাৰত বিশ্ববিশ্ৰুত শিল্পীগৰাকীৰ ১৪টা বচা বচা গান আৰু কবিতা একেলগে পৰিৱেশন কৰিব।

প্ৰধানমন্ত্ৰীয়ে নিশাটো কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত কটোৱাৰ পাছত পৰহিলৈ মঙলদৈলৈ যাব আৰু প্ৰায় ৫৭৬ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া দৰং চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ লগতে এখন জি এন এম স্কুল আৰু এখন নাৰ্ছিং মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। সেইদিনাই তেওঁ ভাৰ্চুৱেল পদ্ধতিৰে প্ৰায় ৭ হেজাৰ কোটি টকা ব্যয়েৰে ব্ৰহ্মপুত্ৰৰ ওপৰত নাৰেঙ্গী-কুৰুৱা সংযোগী দলং আৰু গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীৰ মঙলদৈ ভ্ৰমণ সন্দৰ্ভত এয়া আমাৰ মঙলদৈৰ সংবাদদাতা ময়ূখ গোস্বামী-

(বাইট)

ইয়াৰ পাছত শ্ৰীমোদী গোলাঘাট জিলাৰ নুমলীগড়লৈ যাব আৰু নুমলীগড় শোধনাগাৰত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্প উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰীয়ে শোধনাগাৰটোৰ নতুন পলিপ্ৰপিলিন গোটটোৰো আধাৰশিলা স্থাপন কৰিব। ইয়াৰ পাছত প্ৰধানমন্ত্ৰীয়ে যোৰহাটৰ ৰৌৰিয়া বিমান বন্দৰ হৈ নতুন দিল্লীলৈ উভতি যাব।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ বিয়লি খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত ভাগ ল'বলগীয়া সুধাকণ্ঠ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ অনুষ্ঠানৰ পোনপটীয়া প্ৰচাৰ কৰিব। বিয়লি পাঁচ বাজি ১০ মিনিটৰ পৰা আকাশবাণী গুৱাহাটীৰ মহাবাহু শাখাত এই অনুষ্ঠান প্ৰচাৰিত হ'ব। ইয়াৰ পৰিপ্ৰেক্ষিতত কাইলৈ সন্ধিয়া পাঁচ বাজি ১৫ মিনিটত প্ৰচাৰিত হ'বলগীয়া বিয়লিৰ আঞ্চলিক বাতৰি আৰু সন্ধিয়া ছয় বজাত প্ৰচাৰিত হ'বলগীয়া সন্ধিয়াৰ উজনি অসমৰ বাতৰি প্ৰচাৰিত নহয়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পৰহিলৈ মঙলদৈৰ পুনিয়াত হ'বলগীয়া জনসভাৰ পৰিপ্ৰেক্ষিতত কাইলৈ মাজনিশাৰ পৰা দেওবাৰৰ মাজনিশালৈকে কাৰ্যকৰী হোৱাকৈ বাইহাটা চাৰিআলিৰ পৰা মিছন চাৰিআলিলৈকে ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে সকলো ধৰণৰ গধুৰ বাণিজ্যিক বাহনৰ চলাচল নিষিদ্ধ কৰা হৈছে। তদুপৰি দৰং জিলা প্ৰশাসনে -এই সময়ছোৱাত ৰাষ্ট্ৰীয় ঘাইপথৰ আউলা চৌকাৰ পৰা বেজপাৰা-ইছলামপুৰ চাৰিআলি হৈ কেৰিমেৰি পথেৰে মঙলদৈ নগৰৰ বাহিৰেৰে চাৰিচকীয়া লঘূ যান-বাহনৰ চলাচল কৰোৱাৰ নিৰ্দেশ দিছে।

০০০০০

প্ৰধানমন্ত্ৰীৰ অসম, মণিপুৰ আৰু মিজোৰাম ভ্ৰমণ সন্দৰ্ভত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত প্ৰচাৰ কৰিব। এই অনুষ্ঠানত আকাশবাণীৰ আইজল আৰু ইম্ফলৰ সংবাদদাতা দুগৰাকীও টেলিফোনযোগে সংযুক্ত হ'ব। জ্যেষ্ঠ সাংবাদিক মনীষ গোস্বামী, এমট্ৰনৰ পৰামৰ্শদাতা বসন্ত বৰঠাকুৰ আৰু পথ অভিযান্ত্ৰিক বিষয়ৰ পৰামৰ্শদাতা ত্ৰিদীপ চাংমাইয়ে অংশগ্ৰহণ কৰিবলগীয়া অনুষ্ঠানটোৰ পৰিকল্পনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ। এই অনুষ্ঠান ৰাজ্যখনৰ কেইবাটাও আকাশবাণী কেন্দ্ৰই ৰিলে কৰিব।

আকাশবাণী গুৱাহাটী কেন্দ্ৰই প্ৰধানমন্ত্ৰীৰ ভ্ৰমণ সম্পৰ্কত আমাৰ সংবাদদাতা সকলৰ প্ৰতিবেদনৰ ভিত্তিত অহা ১৪ ছেপ্তেম্বৰ দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব।

০০০০০

আসন্ন বিটিচি নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি চিৰাং জিলাৰ বিজনী মহকুমাৰ মানস ছেৰফাং পৰিষদীয় সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী সুভাষ বসুমতাৰীৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। এই সভাত মন্ত্ৰী কৌশিক ৰায়, ৰাজ্যিক বিজেপিৰ সাধাৰণ সম্পাদক পল্লৱ লোচন দাস, বিধায়ক হেমাংগ ঠাকুৰীয়া, বিজেপিৰ এছ চি মৰ্চাৰ সভাপতি নবাৰুণ মেধি, চিৰাং জিলা বিজেপিৰ সভাপতি ৰতন চন্দ্ৰ ৰায়, বঙাইগাঁও জিলা বিজেপিৰ সভাপতি উজ্জলকান্তি ৰয়ো উপস্থিত থাকে। এই সভাত কেইবাহাজাৰো দলীয় কৰ্মী সমৰ্থকে অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই কোকৰাঝাৰৰ ভাওৰাগুৰিত দলীয় প্ৰাৰ্থী মহেশ্বৰ বসুমতাৰীৰ হৈ আন এখন নিৰ্বাচনী প্ৰচাৰ সভাত ভাগ লয়।

ইপিনে খৈৰাবাৰী পৰিষদীয় সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী মদন ৰাভাৰ সমৰ্থনত মন্ত্ৰী পীযূষ হাজৰিকাই প্ৰচাৰ চলায়। খৈৰাবাৰী মণ্ডলৰ ভূঞাখাট খেলপথাৰত অনুষ্ঠিত প্ৰচাৰ সভাত শান্তিপূৰ্ণ, সমৃদ্ধিশালী আৰু বিকশিত বিটিআৰ নিৰ্মাণৰ বাবে ভাৰতীয় জনতা পাৰ্টিক পৰিষদীয় চৰকাৰ গঠনৰ সুযোগ প্ৰদান কৰিবলৈ মন্ত্ৰী হাজৰিকাই ৰাইজক আহ্বান জনায়। এই সভাত প্ৰাৰ্থী মদন ৰাভায়ো নিৰ্বাচনত তেওঁক জয়যুক্ত কৰিবলৈ জনসাধাৰণক আহ্বান জনায়। বাক্সা জিলাতো ৰাজনৈতিক দলসমূহে ব্যাপক নিৰ্বাচনী প্ৰচাৰ চলাইছে। জিলাখনৰ বাগানপাৰা পৰিষদীয় সমষ্টিত বিজেপিৰ লগতে

ইউ পি পি এল আৰু বিপিএফে তীব্ৰ প্ৰচাৰ চলাইছে। সমষ্টিটোৰ বিজেপি প্ৰাৰ্থী ৰেখাৰাণী দাস বড়োৰ হৈ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰচাৰ চলায়। নিৰ্বাচনী সভাত কেবিনেট মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, নন্দিতা গাৰ্লোচা, সাংসদ বিজুলী কলিতা মেধি, ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া উপস্থিত থাকে। মুদৈবৰি পৰিষদীয় সমষ্টিত বিপিএফ দলৰ প্ৰাৰ্থী জগদীশ সৰকাৰৰ হৈ বিধায়ক দুৰ্গাদাস বড়োৱে প্ৰচাৰ চলায়।

ইপিনে মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি গুৱাহাটীৰ বাজপেয়ী ভৱনত আয়োজিত এটা অনুষ্ঠানত বিটিচি নিৰ্বাচনৰ বাবে বিজেপিৰ সংকল্প পত্ৰ উন্মোচন কৰে। অনুষ্ঠানত অসমীয়া, বড়ো, বাংলা, আদিবাসী আৰু নেপালী ভাষাত প্ৰস্তুত কৰা নিৰ্বাচনী গীতো মুখ্যমন্ত্ৰীগৰাকীয়ে মুকলি কৰে। মন্ত্ৰী ৰণজিৎ কুমাৰ দাসেও বাক্সা জিলাৰ বৰমাত সংকল্প পত্ৰ উন্মোচন কৰে। **শান্তিপূৰ্ণ, সুৰক্ষিত, বিকশিত বিটিআৰ**- সংকল্প পত্ৰৰ মূল বিষয় বুলি মন্ত্ৰী শ্ৰীদাসে প্ৰকাশ কৰে। এই সংকল্প পত্ৰত বিজেপিৰ ৮টা গেৰাণ্টি সন্নিবিষ্ট কৰাৰ লগতে বিটিআৰ তথা বাক্সাৰ বাবে কেইবাখনো নতুন আঁচনি তথা প্ৰকল্পৰ কথা সন্নিবিষ্ট হৈছে বুলি মন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ আগত প্ৰকাশ কৰে।

০০০০০

ভাৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠান গুৱাহাটীৰ গৱেষকসকলে **ছ্যুড'ম'নাছ ফ্লু'ৰেচেন্স** নামৰ নিৰাপদ আৰু কাৰ্যক্ষম বেক্টেৰীয়া ব্যৱস্থা ব্যৱহাৰ কৰি মানৱ ইনছুলিন উৎপাদনৰ এটা নতুন পদ্ধতি উদ্ভাৱন কৰিছে। অধ্যাপক তথা জৈৱ বিজ্ঞান আৰু জৈৱ অভিযান্ত্ৰিক বিভাগৰ প্ৰাক্তন মুৰব্বী ড০ বীৰাংকি ভেংকটা দাসুৰ নেতৃত্বত গঠিত এটা দলে এই পদ্ধতি উদ্ভাৱন কৰে। এই অগ্ৰগতিয়ে ইনছুলিনক অধিক সুলভ কৰি তোলাত উল্লেখযোগ্য ভূমিকা ল'ব বুলি ড০ দাসুৱে প্ৰকাশ কৰে। অধ্যাপক ড০ দাসুৱে কয়, যে ইনছুলিন নিৰ্মাণৰ বাবে এটা নতুন এক্সপ্ৰেচন চিষ্টেম সৃষ্টি কৰাটো ইয়াৰ অন্যতম সমাধান। প্ৰত্যাহ্বান অতিক্ৰম কৰি আই আই টি গুৱাহাটীৰ গৱেষক দলটোৱে দ্ৰৱনীয় ৰূপত প্ৰটিন উৎপাদনৰ বাবে জনাজাত **ছ্যুড'ম'নাছ ফ্লু'ৰেচেন্স** নামৰ বেক্টেৰীয়াৰ ব্যৱহাৰৰ বিষয়ে অন্বেষণ কৰি উৎপাদন প্ৰক্ৰিয়াটো সহজ আৰু সুলভ কৰি তুলিছে। এই সন্দৰ্ভত ড০ বীৰাংকি ভেংকটা দাসুৱে এইদৰে কয়—

**বাইট (ড০ বীৰাংকি ভেংকটা দাসু)**

০০০০০

হোজাই জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক পল্লৱ তামুলীক গৰু ছিণ্ডিকেটৰ পৰা ধন লোৱাৰ অভিযোগত আজি নিলম্বন কৰা হয়। জিলাখনৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক তামুলীক গৃহ বিভাগে এটা নিৰ্দেশযোগে নিলম্বনৰ শাস্তি আৰোপ কৰে।

০০০০০

আলফা স্বাধীনৰ ৭৭৯ নম্বৰ শিবিৰৰ কামাণ্ডাৰ মৃগাংক অসমে আজি তিনিচুকীয়া আৰক্ষীৰ ওচৰত আত্মসমৰ্পণ কৰে। আত্মসমৰ্পণৰ সময়ত সদস্যগৰাকীয়ে ভালেসংখ্যক অস্ত্ৰ-শস্ত্ৰ আৰক্ষীৰ হাতত জমা দিয়ে বুলি আমাৰ তিনিচুকীয়াৰ সংবাদদাতাই জনাইছে।

০০০০০

আক্ৰাছুৰ প্ৰাক্তন সভাপতি বিশ্বজিৎ ৰায়ে আজি ভাৰতীয় জনতা পাৰ্টিত আনুষ্ঠানিকভাৱে যোগদান কৰে। ভাৰতীয় জনতা পাৰ্টিৰ গুৱাহাটীৰ বশিষ্ঠত থকা মুখ্য কাৰ্যালয়ত আয়োজিত অনুষ্ঠানত দলটোত যোগদান কৰে। যোগদানৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত দলটোৰ ভিতৰত থাকি কোচ ৰাজবংশী সম্প্ৰদায়ৰ হৈ কাম কৰি যাব বুলি তেওঁ উল্লেখ কৰে।

০০০০০

বজালী জিলাৰ বাঘমাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষয়িত্ৰী মিনাক্ষী শৰ্মাৰ স্মৃতিত বিগত ৪ বছৰৰ দৰে এইবাৰো **গছৰ দিন** উদযাপন কৰা হয়। শিক্ষয়িত্ৰীগৰাকীৰ পঞ্চম মৃত্যু বাৰ্ষিকী উপলক্ষে আজি

এই **গছৰ দিন** উদযাপন কৰা হয়। গ্ৰীন মিছন বজালীৰ উদ্যোগত অনুষ্ঠিত কাৰ্যসূচী অনুসৰি বাঘমাৰাৰ সমীপৱৰ্তী শুকিলাপাৰ গাঁৱৰ শ্ৰীশ্ৰীবুঢ়াগোহাঁই সত্ৰ চৌহদত বকুল গছৰ পুলি ৰোপণ কৰা হয়। গছপুলি ৰোপণৰ পূৰ্বে প্ৰয়াত শিক্ষয়িত্ৰীগৰাকীৰ স্বামী, ভটদেৱ বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা এসময়ৰ আকাশবাণীৰ বিষয়া ড০ কৰুণামোহন শৰ্মাই বন্তি প্ৰজ্বলন আৰু শিক্ষয়িত্ৰীগৰাকীৰ প্ৰতিছবিত মাল্যাৰ্পণ কৰে।

ooooo

ৰাজ্যৰ বিভিন্ন স্থানত আজি মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ ৪২৯ সংখ্যক তিৰোভাৱ তিথি শ্ৰদ্ধা-ভক্তিৰে পালন কৰা হৈছে। তিৰোভাৱ তিথি উপলক্ষে ৰাজ্যৰ সত্ৰ, নামঘৰসমূহত ভাগৱত পাঠ, নাম-প্ৰসংগ অনুষ্ঠিত হয়। তিৰোভাৱ তিথিত গুৰুজনালৈ প্ৰণিপাত জনাই নামঘৰ, সত্ৰত পুৱাৰ পৰাই ভকত-বৈষ্ণৱ সমবেত হৈ নাম-প্ৰসংগ কৰে। শ্ৰীশ্ৰীমাধৱদেৱৰ জন্মস্থান লখিমপুৰৰ লেটেকু পুখুৰী, ডিব্ৰুগড়, শিৱসাগৰ, বৰদোৱা, বৰপেটা, সত্ৰ নগৰী মাজুলী, ঐতিহাসিক ঢেকীয়াখোৱা বৰনামঘৰ, গোৱালপাৰাৰ কেউলীয়া হাটী সত্ৰ আৰু শ্যামৰায় সত্ৰৰ লগতে গুৱাহাটী মহানগৰীৰ নামঘৰসমূহতো সাহিত্য-সংস্কৃতিৰ পূজাৰী, অসমীয়া জাতিৰ প্ৰাণ প্ৰতিষ্ঠাতা মহাপুৰুষজনাৰ তিথি উপলক্ষে নাম-প্ৰসংগৰ আয়োজন কৰা হয়। কোচবিহাৰৰ মধুপুৰ সত্ৰতো আজি দিনজোৰা কাৰ্যসূচীৰে গুৰুজনাৰ তিৰোভাৱ তিথি পালন কৰা হয়। ৰাতিপুৱা প্ৰভাত বন্দনাৰ জৰিয়তে কাৰ্যসূচীৰ আৰম্ভণি কৰা হয়। পিছত ভাগৱত পাঠ, নাম-প্ৰসংগ অনুষ্ঠিত হয়। গুৰুজনাৰ তিথি উপলক্ষে সন্ধিয়ালৈ কোনো কোনো ঠাইত অংকীয়া ভাওনাও অনুষ্ঠিত হ'ব।

ooooo

বিশ্ব পৰ্যটন দিৱস, ২০২৫ উপলক্ষে অসম চৰকাৰৰ পৰ্যটন সঞ্চালকালয়ে অসম ভিত্তিত ফটোগ্ৰাফী প্ৰতিযোগিতাৰ আয়োজন কৰিছে। এই প্ৰতিযোগিতাৰ বিষয়সমূহ হৈছে– প্ৰকৃতি আৰু বন্যপ্ৰাণী, সংস্কৃতি আৰু খাদ্য সম্ভাৰ, চাহ পৰ্যটন, ধৰ্মীয় আৰু আধ্যাত্মিক পৰ্যটন। ১৮ ছেপ্তেম্বৰ প্ৰতিযোগিতাত অংশগ্ৰহণৰ অন্তিম দিন ধাৰ্য্য কৰা হৈছে।

ইপিনে, স্বচ্ছ ভাৰত মিছন গ্ৰামীণে ফটোগ্ৰাফী আৰু ৰীল প্ৰতিযোগিতাৰ আয়োজন কৰিছে। ৰাজ্যিক আৰু জিলা পৰ্যায়ত শ্ৰেষ্ঠত্বৰ ভিত্তিত এই প্ৰতিযোগীসকলক নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব। প্ৰতিযোগিতাৰ বাবে সাতটা বিষয়বস্তু নিৰ্ধাৰণ কৰা হৈছে। প্ৰতিযোগিতাত অংশগ্ৰহণৰ অন্তিম দিন অহা ১৯ নৱেম্বৰ।

ooooo

বজালী জিলাৰ পাটাছাৰকুছিৰ নিৰ্মল হালৈ মহাবিদ্যালয়ত আজি অনুষ্ঠিত এখন আইন সজাগতা সভাত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা তাহিদ আলম লস্কৰে কয়, যে সকলোৰে আইনৰ বিষয়ে জনাৰ অধিকাৰ আছে। বজালী ৰুৰেল এডভাণ্টেজ ছ'চাইটীৰ উদ্যোগত আৰু নিৰ্মল হালৈ মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সহযোগত অনুষ্ঠিত আইন সজাগতা সভাখন বজালী বাৰ এছ'চিয়েচনৰ সভাপতি তথা জ্যেষ্ঠ অধিবক্তা গিৰিধৰ চৌধুৰীয়ে উদ্বোধন কৰে। এই সভাত বজালীৰ অতিৰিক্ত অধীক্ষক ত্ৰিনয়ন ভূঞাই এজাহাৰ, ই-এজাহাৰ, জিৰ' এফ আই আৰ, জাননী আৰু হেণ্ডকাফ লগোৱাৰ বিষয়ে আলোচনা কৰে। সভাখনত কেইবাগৰাকীও বিশিষ্ট লোকৰ লগতে ভালেসংখ্যক সাধাৰণ নাগৰিক উপস্থিত থাকে।

ooooo

এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি ডুবাইত হ'বলগীয়া খেলত পাকিস্তান ওমানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন নিশা ৮ বজাৰ পৰা অনুষ্ঠিত হ'ব।

ooooo

সমাপ্ত